'কিয়ামতৰ দিনা মুআজ্জিনসকলৰ ডিঙি সকলো লোকতকৈ দীঘল হ'ব।

মুআৱিয়া ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ তেখেতে কৈছেঃ 'কিয়ামতৰ দিনা মুআজ্জিনসকলৰ ডিঙি
সকলো লোকতকৈ দীঘল হ'ব।"
[ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, কিয়ামতৰ দিনা মুআজ্জিনসকলৰ অৰ্থাৎ যিসকলে নামাজৰ বাবে আজান দিয়ে তেওঁলোকৰ ডিঙি সৰ্বোচ্চ দীঘল হ'ব, কাৰণ তেওঁলোকে মৰ্যাদাপূৰ্ণ আমলৰ সৈতে জৰিত আছিল, লগতে অত্যাধিক কল্যাণ আৰু মহা প্ৰতিদানস্বৰূপে তেওঁলোকক এই মৰ্যাদা প্ৰদান কৰা হ'ব।

http://www.sunnah.global/hadeeth/as/show/10115